ISSN : 2347-7180

(A Bilingual Research Journal indexed in UGC-CARE List)

# DOGO RANGSANG

Research Journal, Vol.: IX :: Issue: XVII :: October, 2022

# দগো ৰাংছাং

গৱেষণা পত্ৰিকা, নৱম বছৰ, সপ্তদশ সংখ্যা, অক্টোবৰ, ২০২২

CHIEF EDITOR (HON.) : Dr. Upen Rabha Hakacham
EDITORS (HON.) : Dr. Lalit Chandra Rabha
: Dr. Bhuneswar Kalita

মুখ্য সম্পাদক (অবৈতনিক) : ড° উপেন ৰাভা হাকাচাম
সম্পাদকদ্বয় (অবৈতনিক) : ড° ললিত চন্দ্ৰ ৰাভা
: ড° ভুবনেশ্বৰ কলিতা

(27) R. K. Narayan's *The Guide* and its Adaptation ... on the Silver Screen by Vijay Anand
• Suhail Mohammed /210
(28) Autonomy Movement : A Quest for Rights ...
(29) Anthropocene and ... Sekhsaria's *The Last Wave* ...
(30) Breaking Gender Myths ... A Feminist Reading of Rima Das's Films ... and Bulbul Can Sing

**Dogo Rangsang Research Journal (ISSN : 2347-7180)**
(A Bilingual Research Journal of Social Science and Humanities indexed in UGC-CARE List.), Vol. IX, Issue XVII, October, 2022

**EDITORIAL BOARD :**

**ADVISERS :**

1. Dr. Biplab Chakravarty, Retired Professor, Dept. of Bengali, Vardhaman University.
2. Dr. K. V. Subbarao, Retired Professor, Dept. of Linguistics, Delhi University.
3. Dr. Prabin Ch. Das, Retired Professor, Dept. of Folklore, Gauhati University.
4. Dr. Irshad Ali, Retired Professor, Dept. of Anthropology, Gauhati University.
5. Dr. Dipti Phukan Patgiri, Retired Prof. and HOD, Dept. of Assamese, Gauhati University.

**REVIEWERS OF PAPERS :**

1. Dr. Ajit Kumar Baishya, Professor, Department of Linguistic, Assam University, Silchar.
2. Dr. Dilip Kalita, Professor & Director, ABILAC, Guwahati.
3. Dr. Dipak Kr. Roy, Professor, Department of Bengali, Raiganj University, West Bengal.
4. Dr. Jyotirekha Hazarika, Associate Professor, Department of Assamese, J.B. College (Autonomous), Jorhat.
5. Dr. Prafulla Kr. Nath, Professor, Department of Assamese, Gauhati University.
6. Dr. Ratul Mahanta, Professor, Dept. of Economices, Gauhati University.
7. Dr. Sumi Kalita, Associate Professor, Department of Assamese, Bodoland University, Kokrajhar.
8. Dr. Polee Saikia, Professor & HoD, Dept. of Education, Gauhati University.
9. Dr. Dhurba Pratim Sharma, Associate Professor, Dept. of Political Science, Gauhati University.
10. Dr. Gajendra Adhikari, Retd. Principal, D.K. Girls' College, Mirza.
11. Dr. Ankuran Dutta, Associate Professor & Head, Dept. of Communication and Journalism, Gauhati University.
12. Dr. A.K. Bhagabati, Retd. Professor, Dept. of Geography, Gauhati University.
13. Dr. Pranjit Bora, Professor & Director, Padmanath Gohain Boruah School of Humanites, KKHSOU.

**INTERNAL REVIEWERS OF THIS ISSUE :**

1. Dr. Upen Rabha Hakacham (Chief Editor)
2. Dr. Lalit Ch. Rabha (Honorary Editor)
2. Dr. Dipankar Saikia, Associate Profesor, Dept. of English, Biswanath College, Biswanath

**CHIEF EDITOR** (HON.) :

1. Dr. Upen Rabha Hakacham
Professor and Former Head, Dept. of Assamese, Gauhati University.

**EDITORS** (HON.) :

1. Dr. Lalit Chandra Rabha, Principal, Dudhnoi College, Dudhnoi.
2. Dr. Dhaneswar Kalita, Asst. Professor, Assamese, Sharaighat College, Changsari, Kamrup (R), Assam.

**Price:** Rs. 400/- (Four hundred) only
**Design & Layout :** Kamal Krishna Sarmah

**Published by** Dr. Angshuman Das, Secretary, Dogo Rangsang Research Society and **Printed at** Dream Graphics, Naokata, Tamulpur (BTR), Assam.

# সূচীপত্র

# CONTENT

অসমীয়া বিভাগ ঃ

(১) কার্বি আৰু মিচিং জনগোষ্ঠীৰ মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস ঃ এটি তুলনাত্মক অধ্যয়ন
● উপাসনা চৌধুৰী ● লুনা বৰা /০১

(২) অসমীয়া কাহিনীগীত কেন্দ্ৰিক লোকপৰিবেশ্য কলা
● ড° দীপালি গগৈ /০৮

(৩) অসমৰ বয়ন-শিল্প আৰু অসমীয়া নাৰীৰ আত্মনিয়োজন
● ড° বন্টি দত্ত /১৬

(৪) অৰুণাচল প্ৰদেশৰ টাৱাং জিলাৰ পৰ্যটন ঃ এটি আলোচনা
● তৰুণ লইং /২৬

(৫) ইংৰাজী সাহিত্যলৈ অনূদিত 'বুঢ়ী আইৰ সাধু' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
● নীলাক্ষি দাস /৩২

(৬) অসমৰ সংবাদ জগতৰ এক যুগান্তকাৰী সংবাদপত্ৰ ঃ আসাম বিলাসিনী
● ড° অৰুণিমা দাস ● আদিত্য হাজৰিকা /৩৮

(৭) হোমেন বৰগোহাঞিৰ গদ্যৰীতি ঃ এটি অধ্যয়ন
● ড° দুলাল চন্দ্ৰ দাস /৪৪

(৮) অসমৰ ধ্ৰুপদী নৃত্যৰ ঐতিহ্য ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
● ড° ইন্দ্ৰাণী ডেকা ● মনিকংকনা বৰ্মন /৫৫

(৯) অসমৰ চাহ জনগোষ্ঠীয় জনজাতিসকলৰ জন্ম-সম্পৰ্কীয় লোকাচাৰ ঃ এটি অধ্যয়ন
● ছবি ৰাণী দাস /৬৩

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. IX, Issue XVII, October, 2022

# অৰুণাচল প্ৰদেশৰ টাৱাং জিলাৰ পৰ্যটন : এটি আলোচনা

● তৰুণ লইং
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, যোৰহাট কলেজ।
e-mail: tarunloying11@gmail.com, ফোন : ৮১৩৩০৭৪২২৭

**সংক্ষিপ্তসাৰ :** ভাৰতবৰ্ষৰ সৰ্বাতোকৈ পূব প্ৰান্তত থকা ৰাজ্যখনৰ নাম হৈছে অৰুণাচল প্ৰদেশ। অৰুণাচল প্ৰদেশৰ পৰ্যটনৰ দিশত সৰ্বাতোকৈ চহকী জিলা হিচাপে খ্যাত টাৱাং জিলাত নুৰানাং জলপ্ৰপাত, ছেলা-পাছ আৰু ছেলা লেক, যশৱন্ত গড়, টাৱাং গোম্পা, টাৱাং ৱাৰ মেম'ৰিয়েল, পাংগাটেং ছ' লেক আদি কেইবাখনো আকৰ্ষণীয় পৰ্যটনৰ স্থলী পোৱা যায়। এছিয়া মহাদেশৰ ভিতৰতে দ্বিতীয় বৃহত্তম বৌদ্ধ বিহাৰ হিচাপে পৰিচিত 'টাৱাং গোম্পা'ত 'লুচাৰ ফেষ্টিভেল' (Lusar Festival) চাবলৈ ভূটান, নেপাল, তিব্বত, বাংলাদেশ আদি দেশৰ পৰা অহা পৰ্যটকৰ ভিৰ দেখা যায়। ভাৰতবৰ্ষৰ ভিতৰতে দ্বিতীয় উচ্চতম মটৰেব'ল ৰোড হিচাপে খ্যাত ছেলা-পাছৰ নান্দনিক দৃশ্যই পৰ্যটকক স্বাভাৱিকতেই আকৰ্ষণ কৰে। ছেলা-পাছৰ এঁকা-বেঁকা পৰ্বতীয় ৰাস্তাবোৰত গাড়ী বা মটৰচাইকেল চলাই সুকীয়া আনন্দ ল'ব পৰা যায়। বিশেষকৈ শীতকালীন সময়ত শুভ্ৰ বৰফেৰে আচ্ছাদিত পথবোৰত পিছলি নপৰিবলৈ গাড়ী চলাওঁতে চকাত লোহাৰ শিকলি বান্ধি দিয়া হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে সৰ্বাতোকৈ মোহনীয়া জলপ্ৰপাত 'নুৰানাং জলপ্ৰপাত'ৰ সৌন্দৰ্য্য দেখত ল'বলগীয়া। জলপ্ৰপাতটোৰ লগতে পাহাৰ-নদীৰ সংগমস্থলীৰ চৌপাশৰ প্ৰাকৃতিক দৃশ্যই পৰ্যটকক সহজেই আকৰ্ষিত কৰে। টাৱাং নগৰৰ লগতে থকা 'টাৱাং ৱাৰ মেম'ৰিয়েল'ৰ যোগিনৰ এম্ফিথিয়েটাৰৰ বিশ মিনিটৰ ভিডিঅ'ই সকলোৰে মনত দেশপ্ৰেমৰ জোৱাৰ তুলি ধৰে। ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ বিৱৰণ, পাশৱিকতাৰ মাজেৰে চীনা সৈন্যই ভাৰতীয় সৈন্যৰ ওপৰত কৰা নিৰ্মম আঘাত, সেই সময়ত ভাৰতীয় সৈন্যৰ হাতত থকা আওপুৰণি মাৰণাস্ত্ৰৰ বিপৰীতে চীন দেশৰ সৈনিকে ব্যৱহাৰ কৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ দৃশ্যই ভাৰতীয় পৰ্যটকৰ দেহ-মন শিহৰিত কৰি তোলে। টাৱাং নগৰৰ পৰা প্ৰায় চল্লিশ কিল'মিটাৰ উত্তৰ দিশত 'মাধুৰী হ্ৰদ' বা 'ছংগাৎচেৰ লেক' অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা ১২,৮০০ মিটাৰ উচ্চতাত অৱস্থিত মাধুৰী লেকত চিনেমাৰ শুটিং কৰিবলৈ ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ পৰা অনেক শিল্পী-কলাকুশলীৰ আগমন হোৱা দেখা যায়। ১৯৯৭ চনত শ্বাহৰুখ খান আৰু মাধুৰী দীক্ষিত অভিনীত 'কয়লা' নামৰ হিন্দী চলচ্চিত্ৰখনিৰ দৃশ্যগ্ৰহণ 'ছংগাৎচেৰ লেক'ত হৈছিল। বলীউডৰ অভিনেত্ৰী মাধুৰী দীক্ষিতে হ্ৰদটোৰ পাৰত বহি সৌন্দৰ্য সুধা পান কৰি আপোন-পাহৰা হৈছিল বাবেই কালক্ৰমত এই হ্ৰদটোৰ নাম 'মাধুৰী লেক' বুলি পৰিচিত হ'ল।

**বীজ শব্দ :** আকৰ্ষণীয় পৰ্যটনস্থলী, টাৱাং গোম্পা, নুৰানাং জলপ্ৰপাত, ছেলা-পাছ আৰু ছেলা লেক, যশৱন্ত গড়, টাৱাং ৱাৰ মেম'ৰিয়েল, পাংগাটেং ছ' লেক।

**অৱতৰণিকা ঃ**

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব প্ৰান্তত থকা এখন ৰাজ্য হৈছে অৰুণাচল প্ৰদেশ। সমগ্ৰ দেশখনৰ ভিতৰতে আঞ্জাও জিলাৰ ডং উপত্যকাত (Dong Valley) সূৰ্যৰ কিৰণ পোনপ্ৰথমেই পৰে বাবে এই ৰাজ্যখনক 'অৰুণ উদয়' প্ৰদেশ (Land of the Rising Sun) বুলি জনা যায়।[1] সেউজীয়া পাহাৰীয়া উপত্যকা, মালভূমি, চিয়াং, ডিবাং, লুহিত, সোৱণশিৰি, কামেং, টিৰাপ আদি নদীৰে পৰিবেষ্টিত অৰুণাচল প্ৰদেশ ৰাজ্যই ভাৰতবৰ্ষৰ পৰ্যটন মানচিত্ৰত বিশেষভাৱে ঠাই পাইছে। উল্লেখযোগ্য যে উত্তৰ-পূৰ্ব সীমান্ত অঞ্চল NEFA, এতিয়াৰ অৰুণাচল প্ৰদেশ অসমৰ অধীনত নাছিল যদিও এই অঞ্চলৰ প্ৰশাসনৰ কেন্দ্ৰ আছিল অসমত আৰু এই অঞ্চলৰ ভাষা আছিল 'নেফামিজ' (অৰুণাচলী-অসমীয়া)।[2] ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে অৰুণাচল প্ৰদেশক ভাৰতবৰ্ষৰ ২৪ নং ৰাজ্য হিচাপে ঘোষণা কৰে। সৰ্বমুঠ ৮৩,৭৮৩ (তিৰাশী হাজাৰ সাতশ তিৰাশী) বৰ্গ কিল'মিটাৰ ভূমিৰে পৰিবেষ্টিত অৰুণাচল প্ৰদেশৰ উত্তৰ দিশে তিব্বত (চীন), পূবে মায়ানমাৰ, পশ্চিমে ভূটান আৰু দক্ষিণে অসম প্ৰদেশে আগুৰি আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি অৰুণাচল প্ৰদেশৰ মুঠ জনসংখ্যা আছিল ১৩,৮২,৬৪১ জন। আদী, গালং, মনপা, ইদু মিচমি, বৰি-ব'কাৰ, খাম্বা, মেম্বা, আপাটানি, নিচি, চিংফৌ, চেৰডুকপেন, খামতি, হিল মিৰি, নক্টে, ৱাংচু, টাংচা আদি ২৬ টা জনজাতিৰে পৰিপূৰ্ণ ৰাজ্যখনৰ সংস্কৃতি আৰু জীৱনধাৰা অতি বিচিত্ৰ।[3] উল্লেখযোগ্য যে ভাৰতবৰ্ষৰ ভিতৰতে সবাতোকৈ জনবসতি সেৰেঙা ৰাজ্য হিচাপে পৰিচিত অৰুণাচল প্ৰদেশৰ প্ৰতি বৰ্গ কিল'মিটাৰত জনসংখ্যাৰ ঘনত্ব হৈছে ১৩ (তেৰ)জন।

**গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য ঃ**

প্ৰাকৃতিক সম্পদেৰে সৌন্দৰ্যশালী অৰুণাচল প্ৰদেশৰ টাৱাং জিলাক প্ৰকৃতিৰ স্বৰ্গ বুলি ক'ব পাৰি। দেশ-বিদেশৰ পৰ্যটকৰ বাবে টাৱাং কেৱল অৰুণাচল প্ৰদেশৰেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে আগশাৰীৰ এক পৰ্যটন ক্ষেত্ৰ। অৰুণাচল প্ৰদেশৰ ল'ৱাৰ ডিবাং ভেলী জিলাৰ 'মায়'দিয়া'ক বৰফৰ ৰাণী বুলি কোৱাৰ বিপৰীতে টাৱাং জিলাৰ 'জেলা-পাছ'ক বৰফৰ সম্ৰাট বুলি কোৱা হয়। প্ৰধানকৈ বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ বসতিস্থল টাৱাং জিলাৰ লোকসকল শান্ত-শিষ্ট, সৌম্য ভাবাপন্ন হোৱাৰ বাবে পৰ্যটকসকলৰ সাধাৰণতে চুৰি হোৱাৰ ভয়, ঠগবাজী আদি কাৰ্যৰ পৰা যথেষ্ট নিৰাপদ বুলি ক'ব পাৰি। টাৱাং জিলাৰ পৰ্যটনৰ ক্ষেত্ৰসমূহ বিহং সমাজ, দুঃসাহসিক ক্ৰীড়াৰ প্ৰতি উৎসাহী, প্ৰকৃতিৰ সুধা পান কৰি বিমল আনন্দ লাভ কৰা লোকসকলক পৰিচয় কৰাই দিয়াটোৱেই প্ৰস্তাৱিত গৱেষণা কৰ্মৰ ঘাই উদ্দেশ্য।

**পদ্ধতি ঃ**

প্ৰধানকৈ প্ৰবন্ধটিত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। মূলতঃ প্ৰাথমিক সমলৰ ওপৰত ভিত্তি কৰি প্ৰবন্ধটি প্ৰস্তুত কৰা হৈছে। এই প্ৰবন্ধটোৰ বাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰোঁতে বিভিন্নজনৰ পৰা আহৰণ কৰা মৌখিক সমলক আধাৰ হিচাপে লোৱা হৈছে। দ্বিতীয়ক তথ্য হিচাপে বিভিন্ন গ্ৰন্থ, আলোচনী, ভ্ৰমণ কাহিনী আদি আধাৰ হিচাপে লোৱা হৈছে।

**জেলা-পাছ আৰু জেলা লেক ঃ**

সাগৰ পৃষ্ঠৰ পৰা ১৩,৭০০ ফুট উচ্চতাত জেলা-পাছ অৱস্থিত। এই জেলা-পাছ বিশ্বৰ ভিতৰতে অন্যতম উচ্চতাত থকা 'মটৰেব'ল ৰোড' বুলি জনা যায়। জেলা-টপত কেইবাটাও ভাৰতীয় সেনাৰ চাউনী আছে। এখন সুন্দৰ তোৰণে Welcome to Tawang —— বুলি সকলোকে জেলা-পাছত আমন্ত্ৰণ জনায়। সেই তোৰণখনৰ পৰাই টাৱাং জিলা আৰম্ভ হৈছে। তোৰণখনৰ পৰা অলপ দূৰ নামি গৈয়েই জেলা হ্ৰদটো পোৱা যায়। ১৯৬২ চনত চীন সৈন্যই যেতিয়া জেলা গিৰিপথ পালেহি তেতিয়া ভাৰতীয় সৈন্যক মাৰণাস্ত্ৰ, খাদ্য সামগ্ৰী যোগান ধৰাৰ পৰিবৰ্তে শিবিৰ এৰি আঁতৰি গৈ প্ৰাণ ৰক্ষা কৰাৰহে নিৰ্দেশ আহিল। বীৰ সৈনিকসকলৰ বাবে এনে নিৰ্দেশ অপমানসূচক আছিল। চতুৰ্থ গাড়োৱাল বাহিনীৰ যশৱন্ত সিং ৰাৱাট নামৰ এজন জোৱানে সামৰিক আদেশ বা সতীৰ্থৰ অনুৰোধ একোকে নামানি বাংকাৰত এল. এম. জি., ৰাইফল, ষ্টেনগান, গ্ৰেনেড আদি অস্ত্ৰবিলাক সাজু কৰি লৈ চীনা সৈন্যক থমকি ৰ'বলৈ বাধ্য কৰালে।

সেই সময়তে জেলা আৰু ভোলা নামৰ দুগৰাকী মনপা গাভৰুৱে যশৱন্ত সিংক খাদ্য আৰু অন্যান্য সহায় কৰি চীনা সৈন্যৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰাখিলে। এটা সময়ত শত্ৰুৱে জেলাক ধৰি পেলালে। তাৰপৰ পাছতেই চীনা সৈন্যই যশৱন্তক শত্ৰুৰ হাতত পৰা বুলি জানি গুলীয়াই হত্যা কৰিলে। ... অকলশৰীয়া যশৱন্ত সিঙৰ বীৰত্বৰ কথা শুনি চীনা সৈন্যই শ্ৰদ্ধা জনাই তেওঁৰ মূৰ ওভতাই দিয়া বুলি জনা যায়।

**জং (নুৰানাং) জলপ্ৰপাত :**

টাৱাং নগৰৰ পৰা কিছু কিলোমিটাৰ দূৰত অৱস্থিত জং (নুৰানাং) জলপ্ৰপাতটো উত্তৰ-পূৰ্বাঞ্চলৰ জলপ্ৰপাতসমূহৰ ভিতৰতে ইয়াৰ সৌন্দৰ্যৰ বাবে মনোমোহা। অসমৰ চিৰাং জিলাৰ শালীমাৰ, কাৰ্বি আংলং জিলাৰ কেতেকীবাৰী, নগালেণ্ডৰ ঢাপানলা, মণিপুৰৰ সাধু চিৰো, মিজোৰামৰ বান্তলেং আদি জলপ্ৰপাতে এই জলপ্ৰপাতটোৰ সৌন্দৰ্যৰ ওচৰত যেন ম্লান পৰি যায়। জলপ্ৰপাতটোৰ পৰা বৈ অহা পানীখিনি নুৰানাং নদীত পৰিছে। ইয়াৰ নদীৰ সংগমস্থল আৰু জলপ্ৰপাতৰ সৌন্দৰ্য অতিকৈ মনোৰম। জলপ্ৰপাতটোৰ পৰা বৈ অহা পানীৰ লগতে পৰ্যটক ... সেই ঠাইত মানুহবোৰে উপভোগ কৰিব পাৰে। পৰ্যটকে জলপ্ৰপাত আৰু নদীৰ মিলনস্থলীৰ অপৰূপ মাধুৰী পান কৰি এদিন সম্পূৰ্ণকৈ কটাব পাৰে। জলপ্ৰপাতটোৰ লগতে অৰুণাচল প্ৰদেশ চৰকাৰে এটা 'সেতু' নিৰ্মাণ কৰি পৰ্যটক আহিব পৰাকৈ ব্যৱস্থা কৰিছে।

**যশৱন্ত গড় :**

টাৱাঙৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ দূৰত্বত অৱস্থিত 'যশৱন্ত গড়'ৰ সৌন্দৰ্যই সুকীয়া। চাৰিওফালে ডাঙৰ পৰ্বতেৰে পৰিবেষ্টিত যশৱন্ত গড়ৰ পৰা সেউজীয়া পাহাৰবোৰ সুন্দৰকৈ দেখা পোৱা যায়। প্ৰকৃতিৰ কোলাত থকা গড়টোৰ মনোৰম সুশোভিত দৃশ্যই সকলোৰে দেহ-মন শান্ত কৰি তোলে। যশৱন্ত গড়ত বহি থকা লিং লিং বতাহেও দূৰণিৰ পৰা অহা ভাগৰুৱা পথিকক সান্ত্বনা দিয়ে। ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধত প্ৰাণাহুতি দিয়া গাড়োৱাল ৰাইফলছৰ (উত্তৰাখণ্ডৰ) সাহসী জোৱান যশৱন্ত সিংক মৰণোত্তৰভাৱে 'মহাবীৰ চক্ৰ' প্ৰদান কৰা হৈছিল। অতি পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা গড়টোত যশৱন্ত সিঙৰ এটা প্ৰতিমূৰ্তি আৰু মূৰ্তিও স্থাপিত কৰা আছে। উল্লেখযোগ্য যে প্ৰতিগৰাকী ভাৰতীয় সৈনিক, বিষয়াই এই যশৱন্ত গড়ত থকা মূৰ্তিটোত সেলুট জনাহে নিয়ম।

**উৰ্গেলিং গোম্পা :**

টাৱাং নগৰৰ পৰা টাৱাং-জিমাং ৰোডত পাঁচ কিলোমিটাৰ দূৰত্বত 'উৰ্গেলিং গোম্পা' অৱস্থিত। ষষ্ঠ দালাই লামা চাংয়াং গ্যাৎছুৱে (Tsangyang Gyatso) ১৬৮৩ চনত এই ঠাইতেই জন্ম লাভ কৰিছিল। বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ পবিত্ৰ ঠাই এই উৰ্গেলিঙত ষষ্ঠ দালাই লামাই লোপন কৰা এজোপা গছৰ পৰাই এজোপা গছৰ উৎপত্তি হ'ল বুলি জনা যায়। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে টাৱাঙলৈ গ'লে 'উৰ্গেলিং গোম্পা'ত এপাক সোমাই অহাটো পুণ্যৰ কাম বুলি ভাবে। উৰ্গেলিং গোম্পাত নানান বস্ত্ৰ, আচবাব পত্ৰ সুন্দৰকৈ সংগৃহীত হৈ আছে। ইয়াক নামা অনেক সংগ্ৰহশালায় বুলিও ক'ব পাৰি। চাৰিওফালৰ গছ-গছনিৰ মাজত প্ৰাকৃতিক পৰিৱেশটোৱে চাৰি উৰ্গেলিং গোম্পাক আশ্ৰম বুলিয়েই ক'ব পাৰি।

**টাৱাং ৱাৰ মেম'ৰিয়েল :**

সাগৰ পৃষ্ঠৰ পৰা ১০,০০০ ফুট উচ্চতাত এই টাৱাং ৱাৰ মেম'ৰিয়েল অৱস্থিত। টাৱাং নগৰৰ দক্ষিণ দিশে থকা 'টাৱাং ৱাৰ মেম'ৰিয়েল' পৰ্যটকৰ বাবে অন্যতম এক আকৰ্ষণৰ কেন্দ্ৰ। বৌদ্ধ বিহাৰবোৰত থকা স্তূপৰ দৰেই ৪০ ফুট ওখকৈ নিৰ্মিত যুদ্ধ স্মাৰকটোৰ ওপৰলৈ উঠিবলৈ কেইখাপমান ভৰখোৱা চিৰি (Step) বগাই যাব লাগে। স্মাৰকটোৰ কাষতে ভাৰতীয় সৈন্যই ব্যৱহাৰ কৰা একেন টেংকে সজাই থোৱা দেখা যায়। প্ৰতিদিনে সন্ধ্যা ৪-১৫ বজাৰ পৰা 'যোগিন্দৰ এম্ফিথিয়েটাৰ'ত বিশ মিনিটৰ কিনাবুলীয়া শ' হয়। ১৯৬২ চনত চীন-ভাৰতৰ যুদ্ধত শ্বহীদ হোৱা যোগিন্দৰ সিং নামৰ এজন সৈনিকৰ নামত এই মেম'ৰিয়েলটো নিৰ্মাণ কৰা হৈছে। ভাৰতীয় সৈন্যৰ কাৰ্যকলাপৰ লগতে ১৯৬২ চনত চীন-ভাৰতৰ যুদ্ধত চীনৰ আক্ৰমণত কেনেকৈ ভাৰতীয় সৈন্যই পৰাজয়বৰণ কৰিছিল, চীনৰ সৈন্যই ভাৰতীয় সৈন্যৰ ওপৰত কেনেকৈ অত্যাচাৰ কৰিছিল, তাৰপৰ পৰা ভাৰতীয় সৈন্যৰ দুৰৱস্থা আদি 'যোগিন্দৰ এম্ফিথিয়েটাৰ'ত প্ৰদৰ্শন কৰা হয়।

**শাক্যমুনি বৌদ্ধ মূৰ্তি ঃ**

টাৱাং নগৰৰ আকৰ্ষ ভৱনৰ ওচৰত এটা বৃহদাকাৰ বৌদ্ধ মূৰ্তি মুকলি আকাশৰ তলত স্থাপন কৰা হৈছে। ২০১৪ চনত এইচ. ই. ৰেগ্যেপো ৰিন্‌পোচে অৰ্পণ কৰা এই মূৰ্তিটোক শাক্যমুনি বৌদ্ধ মূৰ্তি বুলি জনা যায়। মূৰ্তিটোৰ কাষতে পৃথকে পৃথকে সুন্দৰ দুটি কোঠা খোলাওঁতে আৰু পূজা-অৰ্চনা কৰিবৰ বাবে ব্যৱস্থা কৰা আছে। এটা সৰু পাহাৰৰ টিলাত মূৰ্তিটো স্থাপন কৰা আছে বাবে টাৱাং নগৰ আৰু টাৱাং বৌদ্ধ বিহাৰটো সেই ঠাইৰ পৰা সুন্দৰকৈ দেখিবলৈ পোৱা যায়। প্ৰতি মুহূৰ্ততে ৰিব্ ৰিব্ বতাহ বলি থাকে বাবে পৰ্যটকে শান্ত-স্নিগ্ধ এক পুলকতা অনুভৱ কৰে।

**টাৱাং বৌদ্ধ বিহাৰ ঃ**

টাৱাং বৌদ্ধ বিহাৰৰ প্ৰকৃত নাম হৈছে— Gaden Namgyal Lhatse। এছিয়া মহাদেশৰ ভিতৰত দ্বিতীয় বৃহত্তম এই বৌদ্ধ বিহাৰটো পৰ্যটকৰ বাবেও মূল আকৰ্ষণৰ কেন্দ্ৰ। তিব্বত, চীন, নেপাল আদি অনেক দেশৰ পৰা অহা বৌদ্ধ ভিক্ষুৱে 'টাৱাং বৌদ্ধ বিহাৰ' দৰ্শন কৰি যায়। অতি শান্ত-স্নিগ্ধ পৰিৱেশত পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা টাৱাং বৌদ্ধ বিহাৰ'ত ২২ ফুট উচ্চতাৰ ভগৱান বুদ্ধৰ মূৰ্তি স্থাপিত কৰা আছে।[৮] বৌদ্ধ বিহাৰটো টাৱাং নগৰৰ পৰা তিনি কিল'মিটাৰ পশ্চিম দিশত অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা দহ হাজাৰ ফুট উচ্চতাত অৱস্থিত টাৱাং বৌদ্ধ বিহাৰৰ পৰা সমগ্ৰ টাৱাং ভেলীটো দেখা পোৱা যায়। ১৬৮০ চনত পাঁচশজন ভিক্ষু থাকিব পৰাকৈ নিৰ্মিত মেৰাগ লামা লড্ৰে গ্যাটছুৱে (Merag Lama Lodroe Gyatso) প্ৰতিষ্ঠা কৰা বৌদ্ধ বিহাৰটোত বৰ্তমান তিনিশতকো অধিক ভিক্ষু আছে। বৌদ্ধ বিহাৰটো আঁতিৰৰ পৰা চালে এখন নংগৰ পেলাই থোৱা জাহাজৰ দৰে দেখি।[১০] সংগ্ৰহালয়টোত ক্ৰুল ডিৰ (চাহ খোৱা পাত্ৰ) চাং ডিৰ (সুৰাৰ পাত্ৰ) ১৭শ শতিকাত নিৰ্মিত ৰালড্ৰি তৰোৱাল (দুইফালে ধাৰ থকা বিশেষ তৰোৱাল), সপ্তম শতিকাৰ ৰজা কালায়াংপুৱে (Kalayangpo) ব্যৱহাৰ কৰা পাডুং (Padung), দাচুব (Dasub) আদি অস্ত্ৰ-শস্ত্ৰ সংৰক্ষণ কৰি ৰাখিছে। তদুপৰি ১৮শ শতিকাৰ বন্দুকৰ কাৰ্টিজ (Deu Tsang), সপ্তম শতিকাত যুদ্ধক্ষেত্ৰত ব্যৱহাৰ হোৱা পতাকা (Dargo Tsesum), ছে-ঙা (Tse Nga) নামৰ বৌদ্ধ বিহাৰত নৃত্য কৰা কাপোৰ বিশেষ (১৭শ শতিকাত চীনত নিৰ্মিত), পিতলৰ ডাঙৰ কাঁহী (১৮শ শতিকাৰ) পিতলৰ পেঁপা, হাতীৰ দাঁত, ১৮শ শতিকাৰ সোণৰ কাঁহী, ১৯শ শতিকাতে তিব্বতত নিৰ্মিত পিতলৰ কেটলি ইত্যাদি সুন্দৰকৈ কাচৰ বাকচত সজাই-পৰাই ৰখা আছে। বৌদ্ধ বিহাৰটোৰ লগতে 'চেণ্টাৰ ফৰ বুদ্ধিষ্ট কালচাৰেল ষ্টাডিজ' নামৰ এটা কেন্দ্ৰ আৰু এটা পুথিভঁৰাল আছে।

**'থমবালা ৰেঞ্জ' আৰু 'পাংগাটেং ছ' লেক্' ঃ**

সাগৰ পৃষ্ঠৰ পৰা ৪,২০০ মিটাৰ উচ্চতাত থকা থম্‌বালা অঞ্চলটোত কোনো জোপোহা বা ডাঙৰ গছ নাই। ডাবৰৰ লুকা-ভাকু আৰু চুটি চুটি কাঁইটীয়া উদ্ভিদ দুই-এজোপা আছে যদিও পাহাৰৰ সেউজীয়া পৰিৱেশ তাত নাই। অলপ দূৰ আগুৱাই গৈ এটা সুন্দৰ হ্ৰদ দেখা পোৱা যায়। হ্ৰদটোৰ চৌদিশে মানুহ বহি জিৰণি ল'ব পৰাকৈ টঙ্গু আকৃতিৰ সৰু সৰু জিৰণি ঘৰ নিৰ্মাণ কৰা আছে। চৰাই-চিৰিকটি, ঘাঁহ-বনবোৰৰ নিস্তব্ধতাৰ বাবে তাত এৰো জীৱনৰ পৰিৱেশ নাই। টাৱাঙৰ বন আৰু পৰিৱেশ বিভাগে পৰিচালনা কৰা হ্ৰদটোৰ নাম হৈছে 'Pangateng Tso Lake'। এই 'পাংগাটেং ছ' লেক্' সাগৰ পৃষ্ঠৰ পৰা ৩৯১২ মিটাৰ উচ্চতাত অৱস্থিত। ৩৪,৫৮০ বৰ্গমিটাৰ অঞ্চল জুৰি আগুৰি থকা পাংগাটেং ছ' লেকৰ গভীৰতা হৈছে প্ৰায় চাৰে পাঁচ মিটাৰ। সাগৰ পৃষ্ঠৰ পৰা ৩৯১২ মিটাৰ উচ্চতাত থকা পাংগাটেং ছ' লেক্ অৰুণাচল প্ৰদেশৰ ভিতৰতে অন্যতম উচ্চতাত থকা হ্ৰদ। অৰুণাচল প্ৰদেশ চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগ এই হ্ৰদটোৰ যত্নৰ দায়িত্বত আছে।

**গৰিছেন শৃঙ্গ ঃ**

টাৱাং নগৰৰ পৰা ১৭ কিল'মিটাৰ নিলগত থকা পাংগাটেং ছ' লেক্ পাৰ হৈ গৰিছেন শৃঙ্গ দেখা পোৱা যায়। সাগৰ পৃষ্ঠৰ পৰা ২২,৫০০ ফুট উচ্চতাত থকা শৃংগটো গৰিছেন শৃঙ্গ হৈছে অৰুণাচল প্ৰদেশৰ সবাতোকৈ ওখ শৃঙ্গ। এই শৃঙ্গটোক 'বৃহদাকাৰ বগা হাতী' নামেৰেও জনজাত। মনপাসকলে এক পবিত্ৰতাৰ প্ৰতীক হিচাপে গণ্য কৰে।

তিব্বতত এই শৃংগটোক tso-ng-phu নামেৰেও ইয়াক জনা যায়। টাৱাং নগৰৰ পৰা ভাৰত-চীন সীমান্তত অৱস্থিত গৰিছেন শৃংগলৈকে দূৰত্ব হৈছে ১৬৪ কিলমিটাৰ। বাৰ মাহে বৰফ পৰে বাবে গৰিছেন শৃংগটো সদায়েই পৰ্বতটো ত্ৰ আকৃতিত দেখা পায়।

**'ৱাই জংচন' ঃ**

পাংগোটেং ছ' লেকৰ পৰা প্ৰায় পাঁচ কিলমিটাৰ নিলগত 'ৱাই জংচন' অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা ১৪,৬১৫ ফুট উচ্চতাত থকা 'ৱাই জংচন'ত ভাৰতীয় সৈন্যৰ কেন্টিনো আছে। কেন্টিনসমূহত ভাৰতীয় সৈন্যৰ উপৰি জনসাধাৰণেও চাহ, কফি, বিস্কুট আদি খাব পাৰে। 'ৱাই জংচন'ৰ তিনি আলিৰ পৰা এফালেদি বোম্‌লা পাছ আৰু আনফালেদি মাধুৰী লেকলৈ যাব পাৰি। 'ৱাই জংচন'ৰ Cafe Rajputana ত পৰ্যটকসকলে খন্তেক জিৰণি ল'ব পাৰে। 'ৱাই জংচন'ৰ ধাঁহ-বন, জোপোহা, গছ-গছনি একো নোহোৱা টিলা, শুকান, শিলাময় পাহাৰবোৰৰ সুকীয়া সৌন্দৰ্য উপভোগ কৰিব পাৰে। অৱশ্যে হৃদপিণ্ড দুৰ্বল (Heart Weak) লোকৰ বাবে 'ৱাই জংচন', 'বোম্‌লা পাছ' আদি ঠাইলৈ যোৱাটো উচিত নহয়। অক্সিজেন কিছু পৰিমাণে কম হোৱা বাবে উশাহ-নিশাহ লোৱাত কিছু সমস্যাৰ সৃষ্টি হয়।

**মাধুৰী লেক্ ঃ**

'মাধুৰী লেক্'ৰ স্থানীয় নাম হৈছে 'শ্ৰংগাটছেৰ লেক' (Shrungatser Lake)। সাগৰ পৃষ্ঠৰ পৰা ১২,৮০০ মিটাৰ উচ্চতাত থকা 'মাধুৰী লেক্'ৰ সৌন্দৰ্যই প্ৰতিজন লোককে আকৰ্ষিত কৰি তোলে। 'মাধুৰী লেক্'ৰ পাৰত ভাৰতীয় সৈন্যই এখন অতি ওখ আৰু বহল ত্ৰিৰংগা পতাকা উৰুৱাই ৰাখে। পৰ্যটকসকলে যাতে কোনো অসুবিধা নোপোৱাকৈ ঘূৰিব পাৰে তাৰবাবে মাধুৰী হ্ৰদৰ কাষে কাষে ফুটপাথৰ ব্যৱস্থা কৰা আছে। মাধুৰী লেকৰ উত্তৰ দিশত থকা সুউচ্চ পাহাৰৰ চূড়াটোৱে ভাৰত-চীন সীমান্তক প্ৰতিনিধিত্ব কৰে। বহু বছৰৰ আগেয়ে হ্ৰদৰ মাজত মৰি যোৱা গছৰ অৱশিষ্টই হ্ৰদটোৰ সৌন্দৰ্যক দুগুণে উজ্বল কৰে। হ্ৰদটোৰ পাৰৰ পৰা বৰফৰ দৰেই শুভ্ৰ আকৃতিৰ পাহাৰৰ শৃংগটো বৰ সুন্দৰকৈ জিলিকি থাকে। হ্ৰদটোত নৌকা বিহাৰৰ পূৰ্বতে ব্যৱস্থা আছিল যদিও বৰ্তমান এই ব্যৱস্থা ভাৰতীয় সৈন্যই বন্ধ কৰি দিছে। উল্লেখযোগ্য যে হ্ৰদটোৰ পাৰতে থকা কেন্টিনখন ভাৰতীয় সৈন্যই পৰিচালনা কৰে। কেন্টিনৰ লগতে ভাৰতীয় সৈন্যই প্ৰস্তুত কৰি উলিওৱা স্পটিং ('মাধুৰী লেক্'ৰ ফটোসহিত) পাঁচশ টকা দামত কিনিবলৈ পোৱা যায়।

**জেমিথাং ঃ**

টাৱাং নগৰৰ পৰা প্ৰায় সত্তৰ কিলমিটাৰ উত্তৰ-পশ্চিম দিশত জেমিথাং অৱস্থিত। জেমিথাংক 'পাংচেন' বুলিও জনা যায়। নামজাং চু নদীৰ কাষে কাষে থকা জেমিথাং উপত্যকাৰ প্ৰাকৃতিক দৃশ্যই সকলো পৰ্যটকক স্বাভাৱিকতেই আকৰ্ষণ কৰে। উল্লেখযোগ্য যে তিব্বত আৰু ভূটান সীমান্তত অৱস্থিত জেমিথাঙৰ নামকা চু (Namka Chu) আৰু সুমদৰং চু (Sumdarong Chu) দুখন ঠাই চীন আৰু ভাৰতৰ বিবাদমান অঞ্চল (Dispute Area)। দ্বাদশ শতিকাত নিৰ্মিত গৰচাম চৰ্তেন (Gorsam Chorten) নামৰ বৌদ্ধ স্তূপক বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে অন্যতম উপাসনাৰ স্থলী হিচাপে বিবেচিত কৰে।

**উপসংহাৰ ঃ**

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে প্ৰকৃতিৰ সমলেৰে পৰিপূৰ্ণ টাৱাং জিলাৰ পৰ্যটনস্থলীসমূহ পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় ঠাই। বিধ্বস্ত বাট-পথ, বাসিন্দাসকলৰ পৰ্যটন সম্পৰ্কীয় সঠিক জ্ঞানৰ অভাৱ হোৱা বাবে উপযুক্ত পৰ্যটনস্থলীসমূহ এতিয়াও অৱহেলিত হৈ পৰি আছে। অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক পাৰপত্ৰ (Inner Line Permit) আজিও অনলাইনত সহজে উপলব্ধ নহয়। বহুত সময়ত আন্তঃৰাজ্যিক পাৰপত্ৰ উলিয়াবৰ বাবে পৰ্যটকসকলৰ যথেষ্ট সমস্যাৰ সৃষ্টি হয়। এইক্ষেত্ৰত ভাৰত চৰকাৰে অৰুণাচল প্ৰদেশৰ পৰ্যটন বিভাগক বিশেষভাৱে আন্তঃৰাজ্যিক পাৰপত্ৰ সহজলভ্য কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো উচিত। যাতায়াতৰ ক্ষেত্ৰত চালে দেখা যায় ভালুকপুংৰ পৰা ৰ'মডিলা হৈ দিৰাঙলৈকে ৰেলপথৰ ব্যৱস্থা কৰিলে টাৱাং ভ্ৰমণ কৰাটো পৰ্যটকৰ বাবে তেনেই সাধাৰণ হৈ পৰিব। সেইদৰে চমমৰ

বৌদ্ধৰে পৰা কালাকটাং-ভেলুকপং-কলা হৈ খ'মতিয়াটোলৈকে ৰেলপথ সংযোগ কৰিলে অসমৰ পূব আৰু পশ্চিম দুয়োটা দিশৰ পৰা পৰ্যটক যাতায়াত সুবিধা হ'ব। তদুপৰি ডিৰাং পাৰ হৈ ভেলা পাহাৰৰ তলেদি সুৰংগ নিৰ্মাণ কৰি ৰেলপথ আৰু তুলপথৰ ব্যৱস্থা কৰিলে তাৱাঙৰ অন্তৰকৌশল পৰিস্থিতিৰ দিন হ'ব। এইক্ষেত্ৰত চৰকাৰ, উত্তৰ-পূব সীমান্ত ৰেলৱে, সচেতন ব্যক্তি সকলোৱে কৰণীয় আছে।◆ ◆


প্ৰসংগটীকা ঃ

1. Tada, Tage & Ghosh, S. K. : *A Glimpse of Cultural Heritage of Arunachal Pradesh*, Director of Research, Govt. of Arunachal Pradesh, Third Revised Edition, 2015, p. 1
2. টাইদ, লিপু : *এতুকি নিবন্ধ*, সাময়িক সম্পাদক, মিচিং আগম্‌ কেবাং, ধেমাজি, অসম, প্ৰথম প্ৰকাশ, এপ্ৰিল ২০০৭, পৃ. ১
3. Baruah, Parag : *Rajdhani*, Unit of India, North-East Development (Tourism Division), Unnayan Bhawan, Jorhat-1, 2002, p. 148
4. গগৈ, ড০ অমলেশ্বৰ : *উনিৰ্কি অৰুণাচলৰ ঐতিহাসিক তথ্য*, ঘাইগাঁও, পানবজাৰ, গুৱাহাটী-১, ২০১৩ চন, পৃ. ১২৪
5. গহঁই, তপন : *মনৰ চাইটেকালেৰে সাংস্কৃতিক এবুকুৰি*, মহাবলী প্ৰকাশন, যোৰহাট, দ্বিতীয় পৰিবৰ্দ্ধিত সংস্কৰণ, ২০১১, পৃ. ২১৪
6. Directorate of Tourism : *Arunachal Pradesh Nestled in the North Eastern Tip of India*, Govt. of Arunachal Pradesh, p. 6
7. গহঁই, তপন : *মনৰ চাইটেকালেৰে সাংস্কৃতিক এবুকুৰি*, মহাবলী প্ৰকাশন, যোৰহাট, দ্বিতীয় পৰিবৰ্দ্ধিত সংস্কৰণ, ২০১১, পৃ. ২১৫
8. Tada, Tage & Ghosh, S. K. : *A Glimpse of Cultural Heritage of Arunachal Pradesh*, Director of Research, Govt. of Arunachal Pradesh, Third Revised Edition, 2015, p. 8
9. Norbu, Tsewang : *Tawang Monastery, The Spiritual Wonder of India*, Director of Research, Govt. of Arunachal Pradesh, Itanagar, First Published, 2016, p. 29
10. বৰুৱা, অমৰজ্যোতি দেৱা ঃ 'সুৰ্যমান দেশটিল', ভবতাৰ, গোস্বামী (সম্পা.), *গোৰিয়াম*, চল্লিশতম সংখ্যা, ২০১৮ চন

অসমীয়া ঃ

১। গগৈ, ড০ অমলেশ্বৰ ঃ *উনিৰ্কি অৰুণাচলৰ ঐতিহাসিক তথ্য*, ঘাইগাঁও, পানবজাৰ, গুৱাহাটী-১, ২০১৩ চন
২। চুটীয়া, বামদেৱ ঃ *মোহময়ী অৰুণাচল প্ৰদেশ আৰু ইয়াৰ জনজাতি*, লয়াৰ্ছ বি. এন প্ৰকাশন, গুৱাহাটী, অসম, প্ৰথম প্ৰকাশ ২০১৬
৩। টাইদ, লিপু ঃ *এতুকি নিবন্ধ*, সাময়িক সম্পাদক, মিচিং আগম্‌ কেবাং, ধেমাজি, অসম, প্ৰথম প্ৰকাশ, এপ্ৰিল ২০০৭
৪। গহঁই, তপন ঃ *মনৰ চাইটেকালেৰে সাংস্কৃতিক এবুকুৰি*, মহাবলী প্ৰকাশন, যোৰহাট, দ্বিতীয় পৰিবৰ্দ্ধিত সংস্কৰণ, ২০১১

ইংৰাজী ঃ

1. Baruah, Parag : *Rajdhani*, Unit of India, North-East Development (Tourism Division), Unnayan Bhawan, Jorhat-1, 2002
2. Directorate of Tourism : *Arunachal Pradesh Nestled in the North Eastern Tip of India*, Govt. of Arunachal Pradesh.
3. Tada, Tage & Ghosh, S. K. : *A Glimpse of Cultural Heritage of Arunachal Pradesh*, Director of Research, Govt. of Arunachal Pradesh, Third Revised Edition, 2015
4. Norbu, Tsewang : *Tawang Monastery, The Spiritual Wonder of India*, Director of Research, Govt. of Arunachal Pradesh, Itanagar, First Published, 2016
5. Sarkar, Niranjan : *Tawang Monastry*, Director of Research, Arunachal Pradesh, Itanagar, 1996

তথ্যদাতা / সাক্ষী ঃ

১। নৱবু চেৰিং ঃ বয়স ৫০ বছৰ, টিৰাপ
২। টেনজিন লেম্বাং - মুখ্য তত্ত্বাৱধায়ক (খ'মতিয়া বৌদ্ধ বিহাৰ, আলপাৰা গোম্পা)
৩। প্ৰেম কুমাৰ শাহ, ব্যৱসায়ী, টিৰাপ